# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 22-06-2024
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - - - - - - - - - - - -

ভাৰত আৰু বাংলাদেশে আজি কেইবাটাও গুৰুত্বপূৰ্ণ ক্ষেত্ৰত চুক্তি স্বাক্ষৰ কৰাৰ লগতে কেইবাখনো বুজাবুজি চুক্তি নৱীকৰণ কৰিছে। এই চুক্তিসমূহৰ ভিতৰত ডিজিটেল আৰু সেউজ অংশীদাৰিত্ব, সামুদ্ৰিক সহযোগিতা, সামুদ্ৰিক অৰ্থনীতি, স্বাস্থ্য আৰু ঔষধ, মহাকাশ ক্ষেত্ৰত সহযোগিতা বৃদ্ধি, ৰে'ল যোগাযোগ ইত্যাদি অন   ্যতম। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ভাৰত ভ্ৰমণৰত বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেখ হাছিনা মাজত অনুষ্ঠিত দ্বিপাক্ষিক আলোচনাৰ পাছত এই চুক্তি স্বাক্ষৰ কৰা হয়। এটা প্ৰেছ বিবৃতিত প্ৰধানমন্ত্ৰীয়ে কয় যে বাংলাদেশ, ভাৰতৰ প্ৰতিবেশী ৰাষ্ট্ৰক অগ্ৰাধিকাৰ প্ৰদান নীতি, এক্ট ইষ্ট নীতি, ভিজন সাগৰ আৰু ভাৰত-প্ৰশান্ত মহাসাগৰীয় সহযোগিতাৰ ক্ষেত্ৰত ভাৰতে গ্ৰহণ কৰা নীতিৰ আউটাত কৰে। তেওঁ কয় যে বিগত বছৰত দুয়োখন ৰাষ্ট্ৰই জনকল্যাণৰ লক্ষ্যৰে কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্প সম্পূৰ্ণ কৰিছে। শ্ৰীমোদীয়ে কয় যে গংগা নৈৰ ওপৰেৰে দেশ দুখনৰ মাজত বিশ্বৰ দীৰ্ঘতম ৰিভাৰ ক্ৰুজ যাত্ৰা সফলতাৰে সম্পূৰ্ণ হোৱাৰ লগতে মৈত্ৰী পাইপ লাইনো সম্পূৰ্ণ হৈছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে ভাৰতে বাংলাদেশৰ জনসাধাৰণক চিকিৎসা সুবিধা প্ৰদান কৰাৰ বাবে সোনকালে ই-চিকিৎসা ভিছা মুকলি কৰিব। তদুপৰি দেশখনৰ ৰংপুৰত নতুন সহকাৰী উচ্চায়ুক্ত কাৰ্যালয় মুকলি কৰাৰ বাবেও সিদ্ধান্ত লোৱা হৈছে। দুয়োখন দেশে পাৰস্পৰিক বাণিজ্য, যোগাযোগ আৰু সহযোগিতাৰ দিশত গুৰুত্ব দিছে আৰু পৰৱৰ্তী সময়ত তেওঁলোকে ডিজিটেল আৰু শক্তি সংযোগৰ ওপৰত গুৰুত্ব আৰোপ কৰিব। ইয়াৰ ফলত দুয়োখন দেশৰ অৰ্থনীতি বিকাশ ত্বৰান্বিত হ'ব বুলি শ্ৰীমোদীয়ে মন্তব্য কৰে। আনহাতে দুয়োখন ৰাষ্ট্ৰই সৰ্বাত্মক অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তিক লৈ আলোচনা কৰিবলৈ সাজু বুলিও তেওঁ মন্তব্য কৰে। উল্লেখযোগ্য যে দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ অহা প্ৰধানমন্ত্ৰীগৰাকীক আজি পুৱাৰ ভাগত ৰাষ্ট্ৰপতি ভৱনৰ চৌহদত আনুষ্ঠানিকভাৱে আদৰণি জনোৱা হয়। আজি শ্ৰীমতী হাছিনাই আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ক সাক্ষাৎ কৰিব।

0000000

জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই আজি বান ক্ষতিগ্ৰস্ত দৰং জিলাৰ বিভিন্ন অঞ্চল ভ্ৰমণ কৰি ছিগা মথাউৰিসমূহ ক্ষীপ্ৰতাৰে মেৰামতি কৰিবলৈ নিৰ্দেশ দিয়ে। ছিগা মথাউৰিৰ পুনৰ নিৰ্মাণ কৰাৰ সময়ছোৱাত বানপীড়িত ৰাইজক প্ৰয়োজনীয় সাহায্য প্ৰদান কৰিবলৈ তেওঁ দৰং জিলা আয়ুক্তক নিৰ্দেশ দিয়ে। মন্ত্ৰী শ্ৰীহাজৰিকাই কয় যে, বান প্ৰতিৰোধৰ বাবে জলসম্পদ বিভাগে যুদ্ধকালীন তৎপৰতাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। মন্ত্ৰীগৰাকীয়ে জিলাখনৰ কাঁহিতলিত দিমিলা নৈৰ বানৰ ফলত ছিগা জলসিঞ্চন বিভাগৰ ৰিং বান্ধ পৰিদৰ্শন কৰে। তেওঁ দৰং আৰু কামৰূপ জিলাৰ সীমামূৰীয়া অঞ্চল হালধাত উপস্থিত হৈ বৰনদী নৈৰ বাঢ়নী পানীয়ে প্লাৱিত কৰা বানপীড়িত অঞ্চল পৰিদৰ্শন কৰে। কামৰূপ জিলাৰ কলাজলৰ বানপীড়িত অঞ্চলো তেওঁ পৰিদৰ্শন কৰে। আজিৰ এই পৰিদৰ্শনকালত মন্ত্ৰীগৰাকীৰ সৈতে সাংসদ দিলীপ শইকীয়া, বিধায়ক বসন্ত দাস, বিধায়ক

ডাঃ পৰমানন্দ ৰাজবংশী, বিধায়ক দিগন্ত কলিতাৰ লগতে জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়া আৰু জলসম্পদ বিভাগৰ অভিযন্তা, বিষয়া উপস্থিত থাকে।

০০০০০০০

ডিব্ৰুগড় জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি বানৰ সময়ছোৱাত ল'বলগীয়া বিভিন্ন কাৰ্যব্যৱস্থাৰ প্ৰস্তুতি সন্দৰ্ভত এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। ৰাজ্য চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ উপ সচিব আৰু ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ প্ৰকল্প সমন্বয়ক অলকানন্দা মেধিৰ উপস্থিতিত অনুষ্ঠিত এই সভাত খহনীয়া প্ৰতিৰোধৰ বিষয়ে আলোচনা কৰা হয়। পৰ্যালোচনা সভাত ডিব্ৰুগড়ৰ অতিৰিক্ত জিলা আয়ুক্ত ডাঃ মণিকা বৰাৰ লগতে বিভিন্ন ৰাজহ চক্ৰৰ চক্ৰবিষয়াসকল উপস্থিত থাকে। পৰ্যালোচনা বৈঠকৰ অন্তত সংশ্লিষ্ট বিভাগৰ বিষয়াসকলে মোহনাঘাট, আইথান আৰু টিংখাং মাটিকটাৰ খহনীয়াপীড়িত অঞ্চল পৰিদৰ্শন কৰে। দলটোৱে লগতে বিন্ধাকটাৰ আদৰ্শ সাহায্য শিবিৰ, ডিব্ৰুগড় পূব ৰাজহ চক্ৰৰ অন্তৰ্গত লাহোৱালৰ এন ডি আৰ এফৰ আঞ্চলিক সঁহাৰি কেন্দ্ৰ, মইনাজান আৰু পৌৰনিগমৰ সমীপৰ পানী নিষ্কাশনৰ স্থান আৰু এছ ডি আৰ এফৰ অধীনত ৰহমৰীয়াত চলি থকা ব্ৰহ্মপুত্ৰ নদীৰ পাৰৰ সুৰক্ষাৰ কাম-কাজৰ বুজ লয়।

০০০০০০০০

যোৰহাট জিলা প্ৰশাসনে অহা ১ জুলাইত যোৰহাট জিলা দিৱস উদযাপনৰ প্ৰস্তুতি চলাইছে। সেই অনুসৰি প্ৰশাসনে ২৯ জুনৰ পৰা ১ জুলাইলৈ তিনিদিনীয়া কাৰ্যসূচীৰে এই দিৱস আয়োজনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। **মৰম যোৰহাট** গঢ়ি তোলাৰ উদ্দেশ্যে পৰিৱেশ নিকাকৰণ, গ্ৰন্থ উপহাৰ, সাংস্কৃতিক শোভাযাত্ৰা, গাঁওসভা, বিশিষ্ট ব্যক্তিসকলৰ লগত আলোচনা চক্ৰ, সকলো বিভাগৰ দ্বাৰা নিজ নিজ ধ্বজাবাহী আঁচনিৰ প্ৰচাৰ তথা কাৰ্যকৰীকৰণ, সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰিছে।

০০০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত **নতুন ফৌজদাৰী আইনৰ অধীনত মহিলা সম্পৰ্কীয় বিষয় সন্দৰ্ভত** আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত অধিবক্তা চাহিনা নাজনিন অতিথি হিচাপে উপস্থিত থাকিব। আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ ফোন নম্বৰ যোগে অতিথিৰ সৈতে কথা পাতিব পাৰিব।

০০০০০০০০০

পশুপালন আৰু পশু চিকিৎসা বিভাগে আজি বোকাখাটত সামূহিক উন্নয়ন আঁচনিৰ অধীনত গাহৰি আৰু ছাগলী পালনৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰে। বোকাখাটৰ পশু চিকিৎসা বিজ্ঞান আৰু পশুপালন বিদ্যালয়ত অনুষ্ঠিত এই কাৰ্যসূচীৰ উদ্বোধনী অনুষ্ঠানত কৃষিমন্ত্ৰী অতুল বৰাই অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে প্ৰশিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে তেওঁলোকক শুভেচ্ছা জ্ঞাপন কৰে। এই প্ৰশিক্ষণ কাৰ্যসূচী ২৮০ গৰাকী যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰে।

০০০০০০০০০